# কানহাইয়া লাল ছেঠিয়া আৰু অন্যান্য

# বনাম

# ইউনিয়ন অৱ ইণ্ডিয়া আৰু অন্যান্য

৪ আগষ্ট, ১৯৯৭

**( ন্যায়াধীশ ড° এ এছ্ আনন্দ আৰু কে ভেংকতাস্বামী )**

ভাৰতৰ সংবিধান, ১৯৫০ :

অনুচ্ছেদ ৩২, অষ্টম অনুসূচী-ৰাজস্থানী ভাষাক অষ্টম অনুসূচীত অন্তৰ্ভুক্ত কৰাৰ বাবে সংসদত বিধেয়ক উত্থাপন কৰিবলৈ ভাৰত চৰকাৰক নিৰ্দেশ জাৰী কৰাবলৈ বিচৰা লেখ আবেদন-ধাৰণ কৰা হৈছে, আবেদনকাৰীৰ ভাৰত চৰকাৰক এটা বিশেষ আইন উত্থাপন কৰিবলৈ বাধ্য কৰাৰ কোনো মৌলিক অধিকাৰ নাই-লেখ আবেদন খাৰিজ-প্ৰত্যাহ্বান হৈছে ১৯৯২ চনৰ ৭১ নং সংশোধনী আইনখন কোনো যোগ্যতা নাই।

**নাগৰিক মূল অধিকাৰক্ষেত্ৰ : ১৯৯৭ চনৰ লেখ আবেদন (গ) নং ৩৫৬।**

ভাৰতৰ সংবিধানৰ ৩২ নং অনুচ্ছেদৰ অধীনত।

বিজয় হান্সাৰিয়া আৰু সুনীল কে জৈনে আবেদনকাৰীৰ বাবে মেছাৰ্ছ জৈন হান্সাৰিয়া এণ্ড কোৰ হৈ।

আদালতৰ আদেশ তলত দিয়া ধৰণে দিয়া হৈছিল :

' ৰাজহূৱা স্বাৰ্থ জড়িত গোচৰ'ৰ জৰিয়তে দাখিল কৰা এই লেখ আবেদনত আবেদনকাৰীসকলে তলত দিয়া ধৰণে প্ৰাৰ্থনা কৰিছে :-

(ক) সংবিধানৰ অষ্টম অনুসূচীত ৰাজস্থানী ভাষাক অন্তৰ্ভুক্ত কৰিবলৈ সংসদত আনুষ্ঠানিক বিধেয়ক উত্থাপন কৰিবলৈ প্ৰতিবাদী নং ১ (ভাৰতীয় সংঘ)ক নিৰ্দেশ দিয়া ; বা এই বিষয়ত উত্থাপন হ'বলগীয়া ব্যক্তিগত সদস্যৰ বিধেয়কৰ পৃষ্ঠপোষকতা কৰা;

বা, বিকল্প হিচাপে :

১৯৯২ চনৰ সাংবিধানিক (৭১ নং সংশোধনী) আইনখনৰ দ্বাৰা মণিপুৰী , কংকনী আৰু নেপালী ভাষাই ৮ম অনুসূচীত স্থান লাভ কৰা আইনখনক বাতিল কৰা , যিয়ে সংবিধানৰ এটা মৌলিক গাঁথনি, অৰ্থাৎ সমতা উলংঘা কৰে।

(খ) মহোদয়/মহোদয় সকলে উপযুক্ত বুলি ভবা এনে কোনো আদেশ /নিৰ্দেশনা দিয়া।

কোনো বিশেষ ভাষা অষ্টম অনুসূচীত অন্তৰ্ভুক্ত কৰা বা নকৰাটো কেন্দ্ৰীয় চৰকাৰৰ নীতিগত বিষয়।

সাধাৰণতে ক 'বলৈ গ 'লে আদালতে নিজৰ ন্যায়িক পৰ্যালোচনাৰ ক্ষমতা প্ৰয়োগ কৰি চৰকাৰ নীতিত হস্তক্ষেপ নকৰে , যদিহে এনেদৰে প্ৰণয়ন কৰা নীতিয়ে সংবিধানৰ আদেশ বা কোনো বিধিগত বিধান উলংঘা নকৰে বা অন্যথা অসৎ উদ্দেশ্যে কাৰ্যকৰী কৰা নহয়। এই গোচৰত এনে কোনো দুৰ্বলতা নাই।

কেন্দ্ৰীয় চৰকাৰক কোনো বিশেষ আইন উত্থাপন কৰিবলৈ বা সংসদত নিজৰ বিবেচনাক বিশেষ ধৰণে ব্যৱহাৰ কৰিবলৈ বাধ্য কৰাৰ কোনো মৌলিক অধিকাৰ আবেদনকাৰীৰ হাতত নাই। এইদৰে, কেন্দ্ৰীয় চৰকাৰক "এই বিষয়ত উত্থাপন হ 'বলগীয়া ব্যক্তিগত সদস্যৰ বিধেয়কৰ পৃষ্ঠপোষকতা কৰিবলৈ" নিৰ্দেশনা বিচৰাটো আবেদনকাৰীৰ বাবে মুকলি নহয়।

১৯৯২ চনৰ ৭১ সংখ্যক সংশোধনী আইনখনৰ দ্বাৰা মণিপুৰী, কংকনী আৰু নেপালী ভাষাক অষ্টম অনুসূচীত অন্তৰ্ভুক্ত কৰা আইনখনক সাংবিধানিক বৈধতাৰ প্ৰতি প্ৰত্যাহ্বান জনোৱা হৈছিল যদিও আমি এইটো দেখা নাই কেনেকৈ সেই ভাষাসমূহ অন্তৰ্ভুক্ত কৰাটোৱে আবেদনকাৰীসকলে অভিযোগ কৰা ধৰণে "সংবিধানৰ মৌলিক গাঁথনি" উলংঘা কৰে। প্ৰত্যাহ্বানটো, "বিকল্পভাবে", কোনো যোগ্যতা নাই।

৩২ নং অনুচ্ছেদৰ অধীনত দাখিল  কৰা এই লেখ আবেদনত ভুল ধাৰণা কৰা হৈছে আৰু সেই অনুসৰি ইয়াক খাৰিজ কৰা হৈছে।

আবেদন খাৰিজ কৰা হৈছে।

*অনুবাদক-প্ৰণব জ্যোতি বৰা*

*জ্যেষ্ঠ অনুবাদক*

*গুৱাহাটী উচ্চ ন্যায়ালয়*